**ভাৰত যুক্তৰাজ্য আৰু অন্যান্য**

**-বনাম-**

**বিষম্বৰ দত্ত**

২৩অক্টোবৰ, ১৯৯৬চন।

[ন্যায়াধীশ কে. ৰামস্বামী আৰু ন্যায়াধীশ জি. বি. পাট্টানায়ক]

*সেৱা আইন*

*নিয়মিতকৰণ- অংশকালীন ভিত্তিত নিযুক্ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী-উপস্থাপিত হৈছে, নিয়মিতকৰণৰ অধিকাৰী নহয় কিয়নো নিয়ম অনুসৰি তেওঁলোকক নিয়মীয়াভাৱে নিযুক্তি দিয়া হোৱা নাছিল।*

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ**- দেৱানী আপীল নং১৪৫২৮-৩০ ১৯৯৬চন।

১৯৯৫চনৰ দিল্লীৰ কেন্দ্ৰীয় ন্যায়াধিকৰণৰ অ.এ.(মূল আবেদন) নং১৪৭৫, ১৫৮৩-৮৪-ৰ ৯-২-৯৬তাৰিখৰ বিচাৰ আৰু আদেশৰ ভিত্তিত।

আপীলকাৰী পক্ষত শ্ৰী কে. অমৰেশ্বৰী, শ্ৰী অনিল কাটিয়াৰ আৰু শ্ৰী অনুভা জৈন।

উত্তৰদাতাৰ পক্ষত শ্ৰী জি. এছ. বেক্ৰাৰ আৰু শ্ৰী এন. এছ. বেহল।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

অনুমতি দিয়া হৈছে।

আমি দুয়োপক্ষৰ বিদ্বান পৰামৰ্শদাতাৰ কথা শুনোহকঁ।

নতুন দিল্লীস্থিত কেন্দ্ৰীয় প্ৰশাসনিক ন্যায়াধিকৰণৰ মূল পীঠৰ আদেশত বিশেষ অনুমতিৰ জৰিয়তে এই আপীল আবেদনসমূহ কৰা হৈছে।

স্বীকাৰ কৰা স্থিতিটো হ'ল যে, প্ৰতিৰক্ষা একাউণ্ট নিয়ন্ত্ৰকৰ কাৰ্যালয়ত অংশকালীন ভিত্তিত চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে নিযুক্ত হ'বলৈ ১৯৯০চনৰ ৩ছেপ্টেম্বৰ, ১৯৯১চনৰ ১৪নৱেম্বৰ আৰু ১৯৯৪চনৰ ১৪ছেপ্টেম্বৰত উত্তৰদাতাজন আনলোকৰ সৈতে আহিছিল। বিতৰ্ক আছিল যে- তেওঁলোকক প্ৰতি ঘণ্টাত নিযুক্তি দিয়া হ'ব নে নিয়মীয়াভাৱে নিযুক্তি দিয়া হ'ব। স্বীকাৰ কৰা স্থিতিটো হ'ল যে, তেওঁলোকে এককালীনভাৱে ৫০০টকা দৰমহা লাভ কৰিছিল, যি দিনে ছয় ঘণ্টা কাম কৰাৰ বাবে ৬০০টকালৈ বৃদ্ধি কৰা হৈছে। বিষয়টো পূৰ্ণকালীন নে ঘণ্টাভিত্তিক নে মাহিলী ভিত্তি বিবেচনা কৰাটো প্ৰয়োজনীয় নহয়। এইটো উল্লেখ কৰাটো পৰ্যাপ্ত যে, নিয়ম অনুসৰি বাছনিৰ পিছত তেওঁলোকক নিয়মীয়া পদত নিযুক্তি দিয়া হোৱা নাছিল; তেওঁলোকক নিয়ম অনুসৰি অংশকালীন কৰ্মচাৰী হিচাপে নিযুক্তি দিয়া হৈছিল। সেয়েহে, প্ৰশ্নটো হ'লঃ ন্যায়াধিকৰণৰ নিৰ্দেশ অনুসৰি তেওঁলোকৰ অস্থায়ী অথবা নিয়মিতকৰণৰ অধিকাৰ আছে নেকি? এইকথা দেখা গৈছে যে, তদন্ত অনুসৰি অংশকালীন কৰ্মচাৰীসকলক অস্থায়ী মৰ্যাদা প্ৰদান কৰা উচিত নেকি, এই ক্ষেত্ৰত ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰালয়ৰ দ্বাৰা ১৯৯৪চনৰ ১২জুলাই তাৰিখে স্মাৰকপত্ৰৰ ৩নং দফাত নিৰ্দেশনা জাৰি কৰা হৈছিল যে, তেওঁলোক এনে মৰ্যাদাৰ অধিকাৰী নহয়। যিহেতু তেওঁলোকক নিয়মীয়াভাৱে নিযুক্তি দিয়া নহয়, এই সেৱা নিয়মিত কৰাৰ বাবে ন্যায়াধিকৰণে জাৰি কৰা আদেশ স্পষ্টভাৱে অবৈধ। তাৰপিছত উত্তৰদাতাৰ বিদ্বান পৰামৰ্শদাতাই দাবী কৰে যে, তেওঁলোকে দীৰ্ঘদিন ধৰি নিয়মিতভাৱে কাম কৰি থকাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক নিয়মিতকৰণৰ অধিকাৰী। আমি উত্তৰদাতাৰ পক্ষত লোৱা স্থিতিৰ

প্ৰশংসা নকৰো। যেতিয়ালৈকে তেওঁলোকক যোগ্যতাৰ ভিত্তিবোৰ বিবেচনা কৰাৰ পিছত নিয়ম অনুসৰি নিয়মীয়াভাৱে নিযুক্তি দিয়া নহয়, সেৱাসমূহৰ নিয়মিতকৰণৰ কোনো প্ৰশ্নই নুঠে।

সেই অনুসৰি আবেদনৰ অনুমতি দিয়া হয়। ন্যায়াধিকৰণৰ আদেশসমূহ একাষৰীয়া কৰা হয়। ব্যয় অবিহনে।

আপীলৰ অনুমতি দিয়া হৈছে।

জি. এন.

..............................................

.........................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"